# MyCARE

মোৰ সৈতে, পথৰ প্ৰতিটো খোজতে



"আহক অধিক জানি লওঁ
এনে ৰোগীৰ ইনচুলিনৰ
বিষয়ে যাৰ আছে
**টাইপ 2 ডায়েবেটিছ**"

USV

আপুনি যেতিয়া আহাৰ খায়,
তেতিয়া তাত থকা কাৰ্বহাইড্ৰেট
গ্লুক’জলৈ পৰিণত হয় আৰু তাৰপিছত
**ৰক্তপ্ৰবাহলৈ সেইখিনি গুচি যায়।**



যেতিয়া আপোনাৰ ব্লাড চুগাৰ
অৰ্থাৎ ৰক্ত শৰ্কৰাৰ মাত্ৰা বৃদ্ধি পায়,
**তেতিয়া অগ্ন্যাশয়ে ইনচুলিন নামৰ**
**এবিধ হৰম'ন এৰি দিয়ে।**



ইনচুলিনে ৰক্ত শৰ্কৰা (গ্লুক’জ)
**ৰক্তপ্ৰবাহৰ পৰা শৰীৰৰ কোষলৈ**
লৈ যোৱাত সহায় কৰে,
য’ত সেই গ্লুক’জ শক্তি
পাবলৈ ব্যৱহাৰ কৰা হয়।



**টাইপ 2 ডায়েবেটিছ**-ৰ ক্ষেত্ৰত, শৰীৰটোৱে প্ৰস্তুত কৰা ইনচুলিন সঠিকভাৱে ব্যৱহাৰ কৰিবলৈ অসমৰ্থ হৈ পৰে অথবা উপযুক্ত পৰিমাণৰ ইনচুলিন প্ৰস্তুত নকৰে, **সেয়ে ৰক্তপ্ৰবাহত শৰ্কৰাৰ পৰিমাণ অতি বেছি হৈ পৰিব পাৰে।**



ইয়াৰ ফলত অৱশেষত স্বাস্থ্যৰ বৃহৎ সমস্যাই দেখা দিব পাৰে যেনে ধৰক **বৃক্কৰ ৰোগ, দৃষ্টিশক্তি হ্ৰাস আৰু হৃদ ৰোগ আদি।**



সেই কাৰণেই টাইপ 2 ডায়েবেটিছত ভুগি থকা যিসকল লোকৰ খোৱা ঔষধে ৰোগ নিয়ন্ত্ৰণ কৰিব নোৱাৰে, তেওঁলোকে **দৈনিক বাহ্যিক ইনচুলিন লোৱাৰ প্ৰয়োজন পৰে** যাতে তেওঁলোকৰ ৰক্ত শৰ্কৰাৰ মাত্ৰা স্বাভাৱিক ৰেঞ্জত থাকিব পাৰে।



**বাহ্যিক ইনচুলিন** থেৰাপীয়ে মাত্ৰ শৰীৰে সাধাৰণতে প্ৰস্তুত কৰা **ইনচুলিনখিনিৰ অভাৱ পূৰাই দিয়ে** আৰু সেইখিনি শৰীৰৰ বাবে স্বাভাৱিক ইনচুলিনৰ দৰেই হৈ পৰে।



ইনচুলিন, যদিহে ডায়েবেটিছ ৰোগনিৰ্ণয়ৰ পিছত আগতীয়াকৈ আৰম্ভ কৰা হয়, তেন্তে **ইনচুলিন প্ৰস্তুত কৰা কোষসমূহক জিৰণি দিয়াত আৰু নিৰাপদে ৰখাত সহায় কৰে,** আৰু ডায়েবেটিছ-জনিত জটিলতা ৰোধ কৰে।



## আজি-কালি বিভিন্ন প্ৰকাৰৰ ইনচুলিন পোৱা যায়।

আপোনাৰ লাইফষ্টাইল আৰু ৰক্ত শৰ্কৰাৰ মাত্ৰাৰ ওপৰত নিৰ্ভৰ কৰি আপোনাৰ ডাক্তৰে সিদ্ধান্ত লব আপোনাৰ বাবে কোন প্ৰকাৰৰ ইনচুলিন ভাল হ'ব আৰু তাক কেতিয়া কেতিয়া লোৱাৰ প্ৰয়োজন পৰিব।



দ্ৰুত ক্ৰিয়াশীল | মধ্যবৰ্তী | সুদীৰ্ঘভাৱে ক্ৰিয়াশীল

উপৰোক্ত চিত্ৰ কেৱল প্ৰতীকাত্মক উদ্দেশ্যেৰে দিয়া হৈছে।



“মনত ৰাখিব, **ইনচুলিন হ’ল এক নিৰাপদ আৰু বিশ্বাসযোগ্য সঙ্গী,** যি আপোনাক এক সুখী, সুদীৰ্ঘ আৰু নিৰোগী জীৱন অতিবাহিত কৰাত সহায় কৰিব।”

# MyCARE

মোৰ সৈতে, পথৰ প্ৰতিটো খোজতে

## সন্দৰ্ভ


1. হোৱাট ইজ ডায়েবেটিজ। চিডিচি (2021)। উদ্ধৃত কৰা তাৰিখ 6 জুলাই 2022 আৰু উৎস https://www.cdc.gov/diabetes/basics/diabetes.html#:~:text=Diabetes%20is%20a%20chronic%20(long,your%20pancreas%20to%20release%20Insulin.

2. দ্য হিষ্টৰী অৱ এ ৱণ্ডাৰফুল থিং উই কল ইনচুলিন।
এডিএ. Diabetes.org. (2019). উদ্ধৃত কৰা তাৰিখ 6 জুলাই 2022 আৰু উৎস https://www.diabetes.org/blog/history-wonderful-thing-we-call-insulin#:~:text=In%201921%2C%20a%20young%20surgeon,millions%20of%20people%20with%20diabetes.



**Disclaimer:**
"The guide/presentation/content/literature is for general information, guidance and educational purposes only and is not complete or exhaustive. The guide/presentation/content/literature is not intended or implied to replace or substitute any current practice and or advice/guidance/diet provided by healthcare professionals. This guide/presentation/content/literature does not constitute any treatment/therapy/medication/diet/opinions for any patients who are on diabetes medication, the patients are required to prior consult their healthcare professional before acting on any change on treatment/therapy/ medication/diet and or opions. USV Private Limited makes no representations as to accuracy, completeness, correctness, suitability or validity of any information contained in this guide/presentation/content/literature and will not be liable for any losses, injuries or damages arising from its use."

জনহিতাৰ্থে প্ৰচাৰকৰ্তা USV